Printed Pages—3

**3 (Sem–4) ASM M 2**

**2015**

# ASSAMESE

( Major )

Paper : 4.2

*Full Marks* : 75

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। এটা বাক্যত উত্তৰ দিয়া : ১×৭=৭

(ক) বৈশিষ্ট্যৰ ফালৰ পৰা সংস্কৃতিক কেইটা ভাগত ভগাব পৰা যায় ?

(খ) 'প্ৰাচীন কামৰূপৰ ধৰ্মৰ ধাৰা' গ্ৰন্থখনৰ লিখক কোন ?

(গ) প্ৰাচীন সংস্কৃত গ্ৰন্থসমূহত অসমৰ মঙ্গোলীয় জনগোষ্ঠীক কি নামেৰে বুজোৱা হৈছিল ?

(ঘ) অসমত কোন নৃগোষ্ঠীয় লোকৰ সংখ্যা অধিক ?

(ঙ) কোনখন পুৰাণ অসমৰ বৈষ্ণৱ ধৰ্মৰ আধাৰ গ্ৰন্থ ?

(চ) 'ফাৰকান্তি' কোন জনগোষ্ঠীয়ে পালন কৰা অনুষ্ঠান ?

(ছ) ড০ বাণীকান্ত কাকতিয়ে 'কামৰূপ' শব্দটো কোন ভাষাৰ পৰা অহা বুলি ঠাৱৰ কৰিছে ?

২। চমু উত্তৰ দিয়া : ২×৪=৮

(ক) সংস্কৃতিৰ এটা সংজ্ঞা দাঙি ধৰা।

(খ) ভৌতিক সংস্কৃতি বুলিলে কি বুজা?

(গ) অসমৰ জনজাতিসমূহৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(ঘ) অসমীয়া বিবাহৰ লগত জড়িত দুবিধ লোকাচাৰ উল্লেখ কৰা।

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) সভ্যতা আৰু সংস্কৃতি

(খ) প্ৰাচীন অসমৰ শৈৱ ধৰ্ম

(গ) গামোচা

(ঘ) অসমীয়া সংস্কৃতিত তামোল-পাণ

(ঙ) অসমৰ দেৱদাসী নৃত্য

(চ) বাৰে-চহৰীয়া ভাওনা

(ছ) পঁচতি

(জ) কুশান গান

৪। (ক) লোক-সংস্কৃতিৰ পৰিৱৰ্তনৰ কাৰণসমূহ উদাহৰণসহ আলোচনা কৰা। ১০

*অথবা*

অসমীয়া সংস্কৃতিত সমন্বয়ৰ প্ৰক্ৰিয়া সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

(খ) ভিন ভিন সময়ত অসমলৈ অহা নৃগোষ্ঠীসমূহে কেনেদৰে অসমীয়া জাতি গঠনত ঐতিহাসিকভাৱে সহায় কৰিছে, আলোচনা কৰা। ১০

*অথবা*

অসমৰ জনজাতিসমূহৰ মাজত প্ৰচলিত জনবিশ্বাসসমূহৰ মিল-অমিলসমূহ নিৰ্দেশ কৰা।

(গ) প্ৰাচীন অসমৰ বৈষ্ণৱ ধৰ্মৰ বিষয়ে লিখা। ১০

*অথবা*

প্ৰাচীন অসমত শক্তিৰ আৰাধনা কৰাৰ উদাহৰণ আৰু পদ্ধতিসমূহ প্ৰাচীন অসমৰ শাক্ত-সাহিত্যত কেনেদৰে বৰ্ণোৱা আছে, আলোচনা কৰা।

(ঘ) বিহুৰ সৈতে জড়িত লোকাচাৰসমূহৰ বিষয়ে আলোচনা কৰা। ১০

*অথবা*

অসমৰ জনজাতিসমূহৰ বসন্তকালীন উৎসৱ-পাৰ্বণৰ বিষয়ে এটা নিবন্ধ প্ৰস্তুত কৰা।

☆ ☆ ☆